# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-11-2024

**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি অন্ত পৰিব। দেশী-বিদেশী কেইবা শতাধিক পৰ্যটন প্ৰতিনিধি, ট্যুৰ অপাৰেটৰে অংশগ্ৰহণ কৰা এই পৰ্যটন মেলাৰ কালি তৃতীয় দিনা অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত এৰিক গাৰ্চেটি উপস্থিত থাকে। ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ ভাষণত উত্তৰ-পূব ভাৰতৰ সৌন্দৰ্যত তেওঁ অভিভূত হোৱা  বুলি উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে।

0000000

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে ৰাজ্যখনৰ অন্যান্য জিলাসমূহৰ লগতে মাজুলীটো মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ইতিমধ্যে জিলাখনৰ প্ৰাক ৰাষ্ট্ৰীয় লোক আদালত ১১ নৱেম্বৰৰ পৰা ১৩ ডিচেম্বৰলৈ অনুষ্ঠিত কৰা হৈছে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াৰ প্ৰতিবেদন—

***-বাইট-***

0000000

বিধানসভাৰ নতুন ভৱনত আজি এটা বিশেষ অনুষ্ঠানত ৫ গৰাকী নৱনিৰ্বাচিত বিধায়কে শপতগ্ৰহণ কৰি আজি আবেলি ৪ বজাত বিধানসভাৰ নতুন ভৱনত এই ৫গৰাকী বিধায়কক বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শপত বাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে যোৱা ১৩ নৱেম্বৰত ৰাজ্যত অনুষ্ঠিত হোৱা উপ-নিৰ্বাচনত বঙাইগাঁৱৰ পৰা দিপ্তীময়ী চৌধুৰী, বিহালীৰ পৰা দিগন্ত ঘাটোৱাৰ, ঢলাইৰ পৰা নিহাৰৰঞ্জন দাস, ছিদলীৰ পৰা নিৰ্মল ব্ৰহ্ম আৰু চামগুৰিৰ  পৰা দিপ্লুৰঞ্জন শৰ্মা বিধানসভালৈ নিৰ্বাচিত হৈছিল।

0000000

ডিব্ৰুগড় উকীল সন্থাৰ প্ৰাক্তন সভাপতি জ্যেষ্ঠ অধিবক্তা অহিত বৰগোঁহাইক সদৌ অসম উকীল সন্থাৰ এপিলেট অথৰিটীৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। ইতিমধ্যে তেওঁ বহুকেইটা বিচাৰ প্ৰক্ৰিয়াৰ ৰায়দান কৰিছে। ডিব্ৰুগড় উকীল সন্থাৰ একেৰাহে তিনিবাৰকৈ তেওঁ সভাপতি পদত নিযুক্ত আছিল। তেওঁৰ কাৰ্যকালত ডিব্ৰুগড় উকীল সন্থাক বহু সামাজিক কামত জড়িত কৰাৰ উপৰি কলা-কৃষ্টিৰ দিশত আগুৱাই নিছিল।

0000000

মৰাণ নাগৰিক সমাজৰ উদ্যোগত অহা ১ ডিচেম্বৰৰ পৰা মৰাণ ৰাজহ নগৰস্থিত লাচিত নগৰ অৰুণোদয় সংঘ প্ৰাঙ্গনত ৮ দিনীয়া কাৰ্যসূচীৰে চতুৰ্থ মৰাণ গ্ৰন্থমেলাৰ আয়োজন কৰিছে। এই গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনলাইন অনুগল্প প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতাৰ উপৰি বক্তৃতানুষ্ঠান, গ্ৰন্থ চয়ন, আলোচনাচক্ৰ আৰু কবি সন্মিলন অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অঞ্চলটোৰ বহুকেইগৰাকী নবীন-প্ৰবীণ লেখকৰ বিভিন্ন বিষয়ৰ গ্ৰন্থ উন্মোচন কৰা হ'ব। আয়োজক সমিতিয়ে এই গ্ৰন্থমেলাৰ সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে গ্ৰন্থপ্ৰেমী ৰাইজৰ অংশগ্ৰহণ আৰু সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছে।

০০০০০০০

গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত জিলাখনৰ সমন্বয় ক্ষেত্ৰত কালিৰে পৰা গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি প্ৰাক্তন ছাত্ৰ নেতা কৌস্তভ মণি হাজৰিকাৰ সোঁৱৰণত সদৌ অসম কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখন সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক চৰ্জুন হাঞ্চেই উদ্বোধন কৰে। আনহাতে কালি গ্ৰন্থমেলাৰ বাকৰিত গোলাঘাট জিলা কবি চক্ৰৰ উদ্যোগত আয়োজিত কবিতা জিলা সাহিত্য সভাৰ সম্পাদক বন্তি বৰাই উদ্বোধন কৰে। এই অনুষ্ঠানত জিলাখনৰ অৰ্ধশতাধিক ন-পুৰণি কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰে।

আজি সাহিত্য উৎসৱৰ কাৰ্যসূচীত গ্ৰন্থ সমদল, সাধু কোৱা প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। অহা ৬ ডিচেম্বৰত এই উৎসৱৰ সামৰণি পৰিব।

০০০০০০০

লখিমপুৰৰ তেলাহী উন্নয়ন খণ্ডৰ অন্তৰ্গত পুৱ তেলাহী গাঁও পঞ্চায়ত এলেকাৰ গাঁওসমূহৰ সমস্যাৰ বুজ লোৱাৰ বাবে কালি লখিমপুৰৰ আয়ুক্ত লাচিত কুমাৰ দাসে সোৱণশিৰিপৰীয়া অঞ্চলত উপস্থিত হয়। সোৱণশিৰি নদীৰ খহনীয়াত ক্ষতিগ্ৰস্ত এলেকাসমূহ তেওঁ পৰিদৰ্শন কৰে। অঞ্চলটোৰ সমস্যাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভৰ পৰা বঞ্চিত হোৱা পৰিয়ালসমূহৰ সৈতে তেওঁ মত বিনিময় কৰে।

০০০০০০০

## সমাপ্ত